মুমূৰ্ষ অৱস্থাত থকা ব্যক্তিক তোমালোকে লা ইলা-হা ইল্লাল্লাহৰ তালকীন কৰা।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ "মুমূৰ্ষ অৱস্থাত থকা ব্যক্তিক তোমালোকে লা ইলা-হা ইল্লাল্লাহৰ তালকীন কৰা।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উৎসাহিত কৰিছে যে, মুমূৰ্ষ ব্যক্তিৰ ওচৰত যাতে আমি বাৰে বাৰে কলিমা তাওহীদ "লা ইলাহা ইল্লাল্লাহ" পাঠ কৰোঁ, যাতে এই দেখি তেৱোঁ পাঠ কৰে আৰু এইটো যাতে তেওঁৰ শেষ কথা হয়।

http://www.sunnah.global/hadeeth/as/show/65546